ৰালকদাৰ, প্ৰাক্তন সভাপতি ভাৰতীয় সাহিত্য পৰিষদ, অসমৰ সভাপতি ধীৰেন

## হাজো সুৰেন দাস মহাবিদ্যালয়

2021

# 'বৌদ্ধিক সম্পত্তিৰ অধিকাৰ-শৈক্ষিক প্ৰশাসনিক মূল্যায়ন' শীৰ্ষক আলোচনাচক্ৰ

13th April

**প্ৰতিদিন সেৱা, হাজো, ১৯ এপ্ৰিল ঃ** হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ উদ্যোগত 'বৌদ্ধিক সম্পত্তিৰ অধিকাৰ আৰু শৈক্ষিক তথা প্ৰশাসনিক মূল্যায়ন' শীৰ্ষক আলোচনাচক্ৰখন যোৱা ১৩ এপ্ৰিলত অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ মাধৱদেৱ ৰংগমঞ্চত অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাৰ সঞ্চালনাত আৰু আই কিউ এ চিৰ সমন্বয়ক ড° ৰীপিমা বুজৰবৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা আলোচনাচক্ৰত 'বৌদ্ধিক সম্পত্তিৰ অধিকাৰ' বিষয়ত আলোকপাত কৰে সমল ব্যক্তি অসম বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ প্ৰাক্তন বিজ্ঞানী ড° ৰঞ্জিত কুমাৰ বৰ্মনে। বৌদ্ধিক সম্পত্তিৰ অধিকাৰনো কি, ইয়াৰ পৰা ব্যক্তিগতভাৱে আৰু সামাজিক ক্ষেত্ৰত কি সুফল অৰ্জন কৰিব পাৰি আৰু সমগ্ৰ বিশ্বৰ সৈতে ফেৰ মাৰিব পৰা সুবিধাৰ সৃষ্টি কেনেদৰে কৰিব পাৰি, সেই বিষয়ে আলোকপাত কৰে। ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক বিশ্বজিৎ কলিতাই আঁত ধৰা আলোচনাচক্ৰত তেওঁ আমাৰ উদ্ভাৱনী শক্তিবোৰ সমাজত প্ৰতিষ্ঠা কৰি আমাৰ আৰ্থিক দিশ কেনেদৰে উন্নতি কৰিব পাৰি, সেই বিষয়েও উল্লেখ কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই আদৰণী ভাষণ দিয়া এই আলোচনাচক্ৰতে দ্বিতীয়খন আলোচনাচক্ৰৰ আলোচ্য বিষয় 'শৈক্ষিক আৰু প্ৰশাসনিক মূল্যায়ন' বিষয়ত আলোকপাত কৰি সমল ব্যক্তি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° যোগেন চন্দ্ৰ কলিতাই উচ্চ শিক্ষা অনুষ্ঠানৰ গুণগত মান উন্নয়নৰ বাবে কেনে পৰিকল্পনাৰে আগবাঢ়ি যাব লাগে, সেই বিষয়ে বক্তব্য আগবঢ়ায়। মহাবিদ্যালয়খনৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকা উপস্থিত থকা আলোচনাচক্ৰখনত শলাগৰ শৰাই আগবঢ়ায় ইংৰাজী বিভাগৰ মুৰব্বী ড° আলী আকবৰ হুছেইনে।

# বনকৰা যুৱকে লুটিলে দুই লাখ টকা

**প্ৰতিদিন সেৱা, জুৰীয়া, ১৯ এপ্ৰিল ঃ** নগাঁও জিলাৰ জুৰীয়াৰ জেঙনিৰ কলাডুবাত বনকৰা ল'ৰাই গৃহস্থৰ ধন লুট কৰা এটা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰছিদুল ইছলাম নামৰ এজন বনকৰা যুৱকে বহু বছৰ ধৰি কাম কৰি আছিল। পিচে সোতৰ এপ্ৰিলত ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি লাখ টকা লুট কৰি পলায়ন কৰে। বনকৰা ল'ৰাজনক ফোন কৰাত টকাখিনি ঘূৰাই নিদিয়ে বুলিও ৰছিদুলে হুংকাৰ দিয়ে। ঘটনা সন্দৰ্ভত ভুক্তভোগী